C. S. (MAIN) EXAM, 2009

**Sl. No.** 113

**D–DTN–J–BTA**

# ASSAMESE

## Paper—I

## ( Literature )

| Time Allowed : Three Hours | Maximum Marks : 300 |
|---|---|

### INSTRUCTIONS

**Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.**

**The number of marks carried by each question is indicated at the end of the question.**

**Answers must be written in Assamese.**

www.StudyGuideIndia.com

## Section—A

**1.** যি কোনো তিনিটা প্ৰশ্ন বাছি লৈ প্ৰতিটোৰ উত্তৰ *200* (দুইশ) শব্দৰ ভিতৰত লিখাঁ : 20×3=60

(a) অসমীয়া ভাষাৰ মূল কি ? এই ভাষাৰ জন্ম আৰু ক্ৰমবিকাশ সম্পৰ্কে আলোচনা কৰাঁ ।

(b) 'অসমীয়া গদ্যৰ ইতিহাস'—এই শীৰ্ষক এটি চমু প্ৰবন্ধ যুগুত কৰাঁ ।

(c) অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি ? উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুসৰি ইয়াক তালিকাভুক্ত কৰি দেখুওৱাঁ আৰু যি কোনো পাঁচোটাৰ প্ৰয়োগ নিৰ্ণয় কৰাঁ ।

(*d*) উপভাষাৰ সৃষ্টি কেনেকৈ হয়? অসমীয়া ভাষাৰ প্ৰধান উপভাষা কামৰূপী উপভাষাৰ ভাষাগত বৈশিষ্ট্যবোৰ উল্লেখ কৰি চমু আলোচনা দাঙি ধৰাঁ।

**2.** অসমীয়া ভাষাৰ শব্দমালাক কেইভাগত ভগাব পাৰি? এই ভাষাৰ শব্দমালাত আৰ্য-ভিন্ন ভাষাৰ শব্দৰ প্ৰয়োগ সম্পৰ্কে ফঁহিয়াই আলোচনা কৰাঁ। 60

**3.** অসমীয়া লিপিৰ জন্ম আৰু ক্ৰমবিকাশৰ ইতিহাস নিৰ্ণয় কৰি এক চমু প্ৰবন্ধ যুগুত কৰাঁ। 60

**4.** ক্ৰিয়ামূল বা ধাতু কাক বোলে? অসমীয়া ক্ৰিয়ামূল বা ধাতুৰ উৎস অনুসৰি ইয়াৰ শ্ৰেণীবিভাজন কৰি দেখুওৱাঁ। 60

## Section—B

**5.** যি কোনো **তিনিটা** প্ৰশ্ন বাছি লৈ প্ৰতিটোৰ উত্তৰ *200* (দুইশ) শব্দৰ ভিতৰত লিখাঁ : 20×3=60

(*a*) সাহিত্য-সমালোচনাৰ প্ৰধান ধাৰা কেইটা আৰু কি কি? এই সম্পৰ্কে ফঁহিয়াই আলোচনা কৰাঁ।

(*b*) শঙ্কৰদেৱৰ নাটসমূহক কি আখ্যা দিয়া হয়? তেওঁৰ নাটৰ আলম লৈ নাট্য-প্ৰতিভাৰ এক পৰিচয় দাঙি ধৰাঁ।

(*c*) অসমীয়া সাহিত্যৰ 'জোনাকী-যুগ'ৰ ত্ৰিমূৰ্ত্তি বুলিলে কি বুজা? এই যুগৰ সাহিত্যৰ বৈশিষ্ট্য নিৰূপণ কৰি এটা প্ৰবন্ধ লিখাঁ।

(*d*) 'আধুনিক অসমীয়া কবিতাত পাশ্চাত্য প্ৰভাৱ'—এই শীৰ্ষক এক আলোচনা আগবঢ়োৱাঁ।



www.StudyGuideIndia.com

6. মাধৱদেৱৰ 'নামঘোষা'ত ভক্তিৰসৰ প্ৰকাশ কিদৰে ঘটিছে, আলোচনা কৰাঁ । 60

7. অসমীয়া চুটিগল্পৰ জনক কোন? অসমীয়া চুটিগল্পৰ ইতিহাসত তেওঁৰ স্থান নিৰ্ণয় কৰি এক আলচ যুগুত কৰাঁ । 60

8. উত্তৰ-স্বাধীনতা কালৰ অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি নিৰ্ণয় কৰি এটা আলোচনা যুগুত কৰাঁ । 60

★ ★ ★

www.StudyGuideIndia.com

www.StudyGuideIndia.com